**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-09-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

১। ৰাজ্যত আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু অতিৰিক্ত ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থাৰ শুভাৰম্ভণি।

২। NPS বাৎসল্য আঁচনি শুভাৰম্ভ কৰি নাবালকসকলৰ বাবে বিনিয়োগ কৰিবলৈ অভিভাৱকসকলৰ প্ৰতি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ পৰামৰ্শ।

৩। কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ শিল্পকলা শ্ৰেণীৰ শ্ৰেষ্ঠ পৰ্যটন গাঁওৰূপে শুৱালকুছিক নিৰ্বাচন।

৪। ফিজিত চলি থকা কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত দৰ্শনীয় প্ৰদৰ্শনেৰে অসমৰ বেদব্ৰত ভৰালীৰ স্বৰ্ণপদক দখল।

***আৰু***

৫। বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি ভাৰত আৰু বাংলাদেশৰ মাজত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল।

০০০০০০০

ৰাজ্যত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু অতিৰিক্ত ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থাৰ আজি শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰৰ লোকসেৱা আয়োগ ভৱন সভাকক্ষৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে দিনৰ ১১ বজাত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ শুভাৰম্ভণি কৰিব। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গোলাঘাট জিলাতো আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। গোলাঘাট নগৰৰ জেনেৰেল ফিল্ডত শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলা আয়ুক্ত গৰাকীয়ে আজি হ'বলগীয়া অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। আনহাতে, কৰিমগঞ্জৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে উত্তৰ কৰিমগঞ্জৰ হিতাধিকাৰীসকলক আজি এই অনুষ্ঠানত উপস্থিত থাকিবলৈ আহ্বান জনাইছে। মাজুলীত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানৰ প্ৰস্তুতিৰ বিষয়ে বুজ লয়। ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ ভোটপাৰা ষ্টেডিয়ামত এই কাৰ্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব।

উল্লেখযোগ্য যে বিধবা, ৪৫ বছৰ বয়সৰ উৰ্দ্ধৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলাৰ লগতে তৃতীয় লিংগ, দিব্যাংগ, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বয়োজ্যেষ্ঠ বা ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, মগনীয়া, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী, বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা এইছ আই ভি - থেলাছেমিয়া আদিত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা আৰু পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী ৬০ বছৰ উৰ্দ্ধৰ অথবা দিব্যাংগ হ'লে তেনে ঘৰৰ মহিলা এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত NPS বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে। ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই আঁচনিখনৰ কথা ঘোষণা কৰা হৈছিল। এই উপলক্ষে শ্ৰীমতী সীতাৰমনে কয় যে শিশুসকলে এই আঁচনিৰ জৰিয়তে ধন জমা থোৱাৰে পৰাই উচ্চ হাৰৰ ৰিটাৰ্ণ লাভ কৰিব। তেওঁ কয় যে NPS আঁচনিয়ে আৰম্ভণি কালৰেপৰা ভাল ৰিটাৰ্ণ দি আহিছে। মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰী খণ্ডৰ বাবে NPS-এ আৰম্ভণিৰেপৰা গড়ে ৯ দশমিক ৫ শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বিকাশ হাৰৰ ৰিটাৰ্ণ দি আহিছে। তেওঁ পিতৃ-মাতৃ আৰু অভিভাৱকসকলক নাবালকসকলৰ বাবে জন্মদিন বা অন্য উপলক্ষ্যত NPS বাৎসল্য আঁচনিত বিনিয়োগ কৰাৰ পৰামৰ্শ আগবঢ়ায়।একীকৃত পেঞ্চন আঁচনি সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমতী সীতাৰমনে কয় যে কেন্দ্ৰীয় কেবিনেটে অলপতে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে এই আঁচনিখনত অনুমোদন জনাইছে। আঁচনিখন অহা বছৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। তেওঁ কয় যে পুৰণি পেঞ্চন আঁচনি আৰু নতুন পেঞ্চন আঁচনিৰ ভাল উপাদানসমূহৰ সমাহাৰেৰে এই আঁচনিখন যুগুতাই উলিওৱা হৈছে। এই আঁচনিত অৱসৰৰ পাছত নিশ্চিত পেঞ্চন প্ৰদানৰ ব্যৱস্থা আছে। অনুষ্ঠানত ভাগ লৈ বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীয়ে কয় যে NPS বাৎসল্য আঁচনিয়ে সামাজিক সুৰক্ষা প্ৰদান কৰিব আৰু সমাজখনক আত্ম-নিৰ্ভৰশীল কৰি তুলিব। বিত্ত মন্ত্ৰালয়ে কৈছে যে NPS বাৎসল্য আঁচনিয়ে অভিভাৱকসকলক পেঞ্চন একাউণ্টত ধন

বিনিয়োগ কৰি নিজৰ শিশুসকলৰ ভৱিষ্যত সুৰক্ষিত কৰা আৰু চক্ৰবৃদ্ধিৰ বলত দীৰ্ঘকালীন সম্পদ সুনিশ্চিত কৰিব পাৰিব। আঁচনিখনৰ মাধ্যমেৰে পিতৃ-মাতৃসকলে শিশুসকলৰ নামত বছৰি ন্যূনতম এহেজাৰ টকা বিনিয়োগৰ সুবিধা লাভ কৰিব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন বিভাগে শিল্পকলা শ্ৰেণীৰ শ্ৰেষ্ঠ পৰ্যটন গাঁওসমূহৰ ভিতৰত অন্যতম হিচাপে বস্ত্ৰনগৰী শুৱালকুছিক নিৰ্বাচিত কৰিছে। প্ৰতিবছৰে দেশৰ ভিন্ন প্ৰান্তৰ শিল্প কলা শ্ৰেণীৰ অন্তৰ্ভুক্ত ভিন্ন স্থানক কেন্দ্ৰীয় পৰ্যটন বিভাগে নিৰ্বাচিত কৰি আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা বিবৃতিযোগে এই কথা প্ৰকাশ কৰিছে। লগতে শ্ৰী শৰ্মাই সমূহ শুৱালকুছিবাসীৰ লগতে অসমবাসীৰ হৈ কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন বিভাগক ধন্যবাদ জ্ঞাপন কৰে। এই স্বীকৃতিয়ে বস্ত্ৰনগৰী শুৱালকুছিৰ শিল্প কলাৰ স্বকীয়তা অধিক প্ৰসাৰত বৰঙণি যোগাব বুলিও উল্লেখ কৰে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি  মধ্য প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় দিনা উজ্জয়িনীত উপস্থিত হ'ব। তাত তেওঁ চাফাই মিত্ৰসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে চাফাই মিত্ৰ সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুৱে লগতে ইন্দোৰ-উজ্জয়িনী সংযোগী ছটা লেনযুক্ত পথ প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ ল'ব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰী মহা কালেশ্বৰ মন্দিৰ পৰিদৰ্শন কৰিব আৰু স্বচ্ছতাই সেৱা পযেকৰ অধীনত মন্দিৰ চৌহদত শ্ৰমদান কৰিব। মধ্য প্ৰদেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকীয়ে ইন্দোৰৰ দেৱী অহিল্যা বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মধ্য প্ৰদেশ ভ্ৰমণ সামৰি আজি বিয়লি দুদিনীয়া  ঝাৰখণ্ড ভ্ৰমণসূচীৰে ৰাঁচীত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ৰাঁচীস্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ ৰাষ্ট্ৰীয় কৃষি মাধ্যমিক প্ৰতিষ্ঠানৰ শতবাৰ্ষিকী সমাৰোহক সম্বোধন কৰিব। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰ, কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে শতবাৰ্ষিকী অনুষ্ঠানত ভাগ ল'ব।

০০০০০০০

অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ তৃতীয় বৰ্গৰ দ্বিতীয় পৰ্যায়ৰ পৰীক্ষাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ১৫ ছেপ্তেম্বৰত প্ৰথম পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত হোৱাৰ পাছত অহা ২৯ তাৰিখে পুৱা ৯ বজাৰ পৰা দিনৰ ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ চাকৰিৰ আৰু বিয়লি ডেৰ বজাৰ পৰা চাৰে চাৰি বজালৈ ড্ৰাইভাৰ পদৰ বাবে তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হ'ব। আনহাতে, ২৭ অক্টোবৰত পুৱা ৯ বজাৰ পৰা দিনৰ ১২ বজালৈ চতুৰ্থ বৰ্গৰ মেট্ৰিক উত্তীৰ্ণ পৰ্যায়ৰ আৰু বিয়লি ডেৰ বজাৰ পৰা চাৰে চাৰি বজালৈ অষ্টম শ্ৰেণী পৰ্যন্ত উত্তীৰ্ণ চতুৰ্থ পদৰ বাবে নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব।

উল্লেখ্য যে ২৯ ছেপ্তেম্বৰৰ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯জন আৰু ড্ৰাইভাৰ পদৰ বাবে ২ লাখ ৪ হাজাৰ ৯১জন প্ৰাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব। আনহাতে ২৭ অক্টোবৰৰ চতুৰ্থ বৰ্গৰ পৰীক্ষাত মেট্ৰিক উত্তীৰ্ণ পৰ্যায়ত ৮ লাখ ২৭ হাজাৰ ১৩০গৰাকী আৰু অষ্টম শ্ৰেণী পৰ্যন্ত উত্তীৰ্ণ পৰ্যায়ত ৫ লাখ ৫২ হাজাৰ দুগৰাকী প্ৰাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে অহা ১ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি টি-টেটৰ বাবে ইতিমধ্যে ১৭ ছেপ্তেম্বৰৰ পৰা অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ হৈছে। আবেদনৰ অন্তিম দিন ১৬ অক্টোবৰ। আবেদনকাৰী প্ৰাৰ্থীসকলে ১৬ অক্টোবৰৰ পুৱা ১২ বজাৰ পূৰ্বে নিৰ্ধাৰিত মাচুল জমা দিব লাগিব। ৰাজ্য চৰকাৰে অসম টেট পৰীক্ষা অনুষ্ঠিত নকৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে পতা চি-টেটৰ গুৰুত্ব বৃদ্ধি পাইছে।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিভিন্ন জিলাত সমষ্টি পুনৰ নিৰ্ধাৰণৰ জৰিয়তে আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়ত আৰু জিলা পৰিষদৰ সীমা নতুনকৈ নিৰ্ধাৰণ কৰা হৈছে। শিৱসাগৰ জিলাত ২০০১ চনৰ পিয়লক ভিত্তি কৰি তথা পঞ্চায়ত আইন অনুসৰি সীমা নিৰ্ধাৰণ কৰা হৈছে। শিৱসাগৰ জিলাৰ অন্তৰ্গত শিৱসাগৰ, নাজিৰা আৰু ডিমৌ বিধানসভা সমষ্টিৰ প্ৰতিটোতে ২৭ বা ২৮ খন গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি জিলাখনত পূৰ্বৰ পাঁচটা উন্নয়ন খণ্ডৰ ঠাইত ছয়টা উন্নয়ন খণ্ড কৰা গৈছে। প্ৰতিটো সমষ্টিয়ে দুটাকৈ উন্নয়ন খণ্ড লাভ কৰাৰ লগতে প্ৰতিটো উন্নয়ন খণ্ডত ১৩ বা ১৪ খনকৈ গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত কৰা হৈছে। জিলা আয়ুক্তই এই বিষয়ে প্ৰকাশ কৰি এই বিষয়ত ওজৰ-আপত্তি দাখিলৰ বাবে ১৮ৰ পৰা ২০ ছেপ্তেম্বৰ পৰ্যান্ত সময় নিৰ্ধাৰণ কৰি দিছে। সমূহ ৰাজনৈতিক দলৰ সৈতে আজি বৈঠক অনুষ্ঠিত হোৱাৰ পাছত

২৩ৰ পৰা ২৫ ছেপ্তেম্বৰ পৰ্যন্ত ওজৰ-আপত্তিসমূহ পৰীক্ষা কৰা হ'ব। ২৭ ছেপ্তেম্বৰত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত বিশ্ব বাঁহ দিৱস উপলক্ষে কালিৰে পৰা বাঁহৰ প্ৰসংস্কৰণ আৰু মূল্য সংযোজন সন্দৰ্ভত তিনিদিনীয়া প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা হৈছে। সৰ্বভাৰতীয় সমন্বিত বাঁহ প্ৰকল্পৰ অৰ্থসাহায্যত অনুষ্ঠিত এই প্ৰশিক্ষণত ২৩গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ লৈছে। প্ৰশিক্ষণৰ সামৰণিত প্ৰশিক্ষাৰ্থীসকলক বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ ফালৰ পৰা মানপত্ৰ প্ৰদান কৰা হ'ব। ০০০০০

০০০০০০০

কৰিমগঞ্জ জিলা যুৱ মৰ্চাৰ উদ্যোগত কালি কৰিমগঞ্জ জিলা পুথিভঁৰালত ভাৰতীয় জনতা পাৰ্টীৰ সদস্য পদ নামভৰ্তি অভিযান, ২০২৪-ৰ এখন সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত যুৱ মৰ্চাৰ সৰ্ব ভাৰতীয় উপ-সভাপতি নেহা যোশী, যুৱ মৰ্চা প্ৰদেশৰ সভাপতি ৰাকেশ দাস আৰু কৰিমগঞ্জ জিলা বিজেপিৰ সভাপতিৰ লগতে বিধায়ক বিজয় মালাকাৰ উপস্থিত থাকে। সন্মিলনত যুৱ-মৰ্চাৰ আন বহু নেতা-সদস্যৰ উপস্থিতিত বহু সদস্যই বিজেপিত যোগদান কৰে।

০০০০০০০০

শিৱসাগৰৰ বিশিষ্ট ফটো সাংবাদিক লুইত চলিহাৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰি কালি শিৱসাগৰ নগৰত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। শিৱসাগৰ নগৰৰ দ'লমুখত শিৱসাগৰ প্ৰেছ ক্লাব আৰু শিৱসাগৰ ফটোগ্ৰাফী ছ'চাইটীৰ যৌথভাৱে প্ৰয়াত ফটো সাংবাদিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে লুইত চলিহাই ফটো সাংবাদিকতাৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল। যোৰহাট জিলাৰ কেন্দুগুৰিৰ ভাৰাঘৰত যোৱা ১৫ ছেপ্তেম্বৰত চলিহাই শেষ নিশ্বাস ত্যাগ কৰিছিল।

০০০০০০০০

ফিজিত চলি থকা কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত দৰ্শনীয় প্ৰদৰ্শনেৰে অসমৰ বেদব্ৰত ভৰালীয়ে স্বৰ্ণপদক দখল কৰিছে। প্ৰতিযোগিতাৰ ৭৩ কিলোগ্ৰাম শাখাত ডিব্ৰুগড়ৰ খেলুৱৈগৰাকী শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সমৰ্থ হয়। বেদব্ৰতে স্নেচ্‌ত ১৩৬ কিলোগ্ৰাম আৰু ক্লীন এণ্ড জাৰ্কত ১৬৪ কিলোগ্ৰাম ভাৰোত্তোলন কৰি এই প্ৰতিযোগিতাত একেৰাহে দ্বিতীয়বাৰলৈ স্বৰ্ণপদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। ছিনিয়ৰতো বেদব্ৰত ৭৩ কিলোগ্ৰাম শাখাত প্ৰতিদ্বন্দ্বিতা কৰি চতুৰ্থ স্থানত থাকে। উল্লেখযোগ্য যে বেদব্ৰতে লিমাত অনুষ্ঠিত বিশ্ব যুৱক ভাৰোত্তোলন প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰি শ্ৰেষ্ঠ লিফ্‌টাৰৰ বঁটা লাভ কৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বেদব্ৰত ভৰালীৰ এই সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰাৰ লগতে পৰৱৰ্তী খেলৰ বাবেও শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি ভাৰত আৰু বাংলাদেশৰ মাজত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল আৰম্ভ হ'ব। ভাৰতীয় দলটোৰ নেতৃত্ব ৰোহিত শৰ্মাই বহন কৰাৰ বিপৰীতে বাংলাদেশৰ দলটোক নাজমুল হুছেইন শান্তই নেতৃত্ব প্ৰদান কৰিব। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশে দুখন টেষ্ট খেল আৰু তিনিখন টী-টুৱেণ্টী ক্ৰিকেট খেলত অৱতীৰ্ণ হ'ব। টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল কানপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত ২৭ ছেপ্তেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে, টী-টুৱেণ্টী শৃংখলাৰ প্ৰথমখন খেল ৬ অক্টোবৰত গোৱালিয়ৰ, দ্বিতীয়খন ৯ অক্টোবৰত দিল্লী আৰু তৃতীয়খন খেল ১২ অক্টোবৰত হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০

ভাৰতে হাংগেৰীত অনুষ্ঠিত ৪৫ সংখ্যক দবা অলিম্পিয়াদৰ মুকলি শিতানৰ সপ্তম ৰাউণ্ডত কালি চীনক ২ দশমিক ৫ - ১ দশমিক ৫ ফলাফলেৰে পৰাস্ত কৰে। ভাৰতৰ হৈ ডম্মা ৰাজু গুকেছে  চীনা প্ৰতিদ্বন্দ্বী ৱেই ইক পৰাস্ত কৰাৰ বিপৰীতে ৰাউণ্ডৰ বাকী তিনিখন খেল ড্ৰ'ৰে সমাপ্ত হয়। এই ফলাফলৰ সুবাদত মুকলি শিতানত ভাৰতীয় দলটোৱে মুঠ ১৪ পইণ্ট অৰ্জন কৰিছে। একেদৰে, ভাৰতীয় মহিলা দলটোৱেও জৰ্জিয়াৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰি ১৪ পইণ্ট লাভ কৰিছে। দুয়োটা দল এই পৰ্যন্ত প্ৰতিযোগিতাত অপৰাজিত হৈ আছে আৰু পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০০০০০

দেশত একেলগে লোকসভা আৰু বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে কেন্দ্ৰীয় কেবিনেটে। এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ‘এক দেশ, এক নিৰ্বাচনলৈ অনুমোদন’ শিৰোনামেৰে **দৈনিক অসম** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউন** আৰু **দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

যোৰহাটৰ হুলুঙাপাৰ গিবন অভয়াৰণ্যৰ ইক’-ছেনচেটিভ এলেকাত তেল-গেছ খননৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বন পৰিবেশ জলবায়ু মন্ত্ৰালয়ে প্ৰথম পৰ্যায়ৰ অনুমোদন দিয়া কাৰ্যত দল-সংগঠনৰ প্ৰতিবাদ অব্যাহত আছে। অনুমোদন বাতিলৰ দাবীত প্ৰধানমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ এছ এফ আইৰ। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে ‘গিবনত তৈল খননক লৈ উত্তাল যোৰহাট’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছে কাৰ্বি আংলং জিলাৰ আছু নেতা চৰ্জুন হান্সেক। ‘অব্যাহতি ল’লে শংকৰজ্যোতিয়ে, সাধাৰণ সম্পাদকৰ দায়িত্ব হান্সেক’ শিৰোনামেৰে **আমাৰ অসম** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক অগ্ৰদূত** আৰু **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

৩ বছৰত ৫ দশমিক ৪ শতাংশ বৃদ্ধি অসমৰ জনমূৰি আয় -এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ’ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনল’ড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ’ব।

০০০০০০০

**সমাপ্ত**